*Total number of printed pages–7*

**63/1 (SEM–5) CC11/ASMHC5116**

# 2024

# ASSAMESE

Paper : ASMHC5116

***( Study on General Linguistic )***

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। তলত দিয়াসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ *(যিকোনো ছয়টা)* ১×৬=৬

(ক) অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি কেইটা?

*(i)* ৫টা

*(ii)* ৬টা

*(iii)* ৭টা

*(iv)* ৮টা

*Contd.*

(খ) *An Introduction to Descriptive Linguistic* গ্ৰন্থৰ লিখক কোন?

(i) এইচ. এ. গ্লিচন

(ii) চি. এ হোকেট

(iii) ড° ৰমেশ পাঠক

(iv) ড° বাণীকান্ত কাকতি

(গ) অসমীয়া ভাষাৰ নাসিক্য ধ্বনি কোনকেইটা?

(i) প, ফ, ব

(ii) শ, ষ, স

(iii) ম, ন, ঙ

(iv) ক, খ, গ

(ঘ) গঠন অনুসৰি বাক্যৰ প্ৰকাৰ হ'ল

(i) দুই

(ii) তিনি

(iii) চাৰি

(iv) পাঁচ



(ঙ) অসমীয়া ভাষাৰ লিঙ্গ

(i) চাৰিটা

(ii) দুটা

(iii) তিনিটা

(iv) পাঁচটা

(চ) 'ভাষা, সমাজ আৰু সাহিত্য' গ্ৰন্থৰ লিখক

(i) নগেন ঠাকুৰ

(ii) কালিৰাম মেধি

(iii) ড° ৰমেশ পাঠক

(iv) উপেন্দ্ৰনাথ গোস্বামী

(ছ) ভাষাৰ বৃহত্তম এককটো কি?

(i) শব্দ

(ii) পদ

(iii) বাক্য

(iv) ধ্বনি

(জ) ইংৰাজী Syntax শব্দটো গ্ৰীক ভাষাৰ কোনটো শব্দৰ পৰা হৈছে ?

*(i)* Syntac

*(ii)* Syntaxic

*(iii)* Syntaxis

*(iv)* Semantic

(ঝ) ভাষাৰ মূল হৈছে

*(i)* বাক্য

*(ii)* অৰ্থ

*(iii)* ধ্বনি

*(iv)* শব্দ

(ঞ) কোনো এটা ভাষাৰ কথিত ৰূপৰ পৰা ভাষাটোৰ গঠন পদ্ধতিটো উলিয়াই বৰ্ণনা কৰাক কি বুলি কোৱা হয়?

*(i)* ঐতিহাসিক ভাষাবিজ্ঞান

*(ii)* তুলনাত্মক ভাষাবিজ্ঞান

*(iii)* গঠনাত্মক ভাষাবিজ্ঞান

*(iv)* বৰ্ণনাত্মক ভাষাবিজ্ঞান



২। চমুকৈ উত্তৰ লিখা ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) অসমীয়া ভাষাৰ দ্বিস্বৰৰ দুটা উদাহৰণ দিয়া।

(খ) ব্যঞ্জনধ্বনি কাক বোলে?

(গ) অসমীয়া ভাষাত বচন কেই প্ৰকাৰৰ আৰু কি কি?

(ঘ) প্ৰাকৃতিৰ ভাগ কেইটা আৰু কি কি?

(ঙ) প্ৰকৃতি বা মূল প্ৰাকৃতিৰ ভাগ কেইটা আৰু কি কি?

(চ) ভেদাত্মক ভাষাবিজ্ঞানৰ *দুটা* বৈশিষ্ট্য লিখা।

(ছ) অৱস্থান অনুসৰি সৰ্গক কেইটা ভাগত ভাগ কৰা হৈছে আৰু কি কি লিখা।

৩। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা ঃ *(যিকোনো ছয়টা)* ৫×৬=৩০

(ক) প্ৰত্যয় কাক বোলে? ই কেইপ্ৰকাৰৰ আৰু কি কি উদাহৰণসহ লিখা।

(খ) অল্পপ্ৰাণ আৰু মহাপ্ৰাণ ধ্বনি বুলিলে কি বুজা? উদাহৰণসহ লিখা।

(গ) উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি অসমীয়া বিশিষ্ট ব্যঞ্জন ধ্বনিৰ এখন তালিকা প্ৰস্তুত কৰা।

(ঘ) মূল প্ৰাকৃতি বা প্ৰকৃতি কাক বোলে? উদাহৰণসহ চমুকৈ লিখা।

(ঙ) শব্দাৰ্থৰ অৱনতি আৰু শব্দাৰ্থৰ উন্নতি কাক বোলে বুজাই লিখা।

(চ) সৰ্গ কাক বোলে? ই কেইপ্ৰকাৰৰ আৰু কি কি?

(ছ) ব্যাকৰণগত লিঙ্গ কাক বোলে? অসমীয়া ভাষাত লিঙ্গ ব্যাকৰণগত বিষয় হয় নে?

(জ) বিভক্তি আৰু প্ৰত্যয়ৰ পাৰ্থক্য উদাহৰণসহ বিচাৰ কৰা।

(ঝ) স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ পাঁচটা পাৰ্থক্য উল্লেখ কৰা।

(ঞ) ধ্বনি কাক বোলে? উচ্চাৰণৰ ধৰণ অনুসৰি ব্যঞ্জনধ্বনিক প্ৰধানতঃ কি কি ভাগত ভগাব পাৰি?

৪। তলত দিয়া প্ৰশ্নসমূহৰ *যিকোনো দুটাৰ* উত্তৰ লিখা ঃ ১০×২=২০

(ক) ধ্বনিবিজ্ঞান কাক বোলে? ধ্বনিবিজ্ঞানৰ ভাগ কেইটা প্ৰতিটো ভাগৰ পৰিচয় দিয়া।

(খ) বাক্য কাক বোলে? অৰ্থগতভাবে বাক্যক কেইশ্ৰেণীত ভাগ কৰিব পাৰি উদাহৰণসহ লিখা।

(গ) শব্দাৰ্থতত্ত্ব বুলিলে কি বুজা? শব্দাৰ্থৰ পৰিবৰ্তনৰ কাৰণসমূহৰ বিষয়ে আলোচনা কৰা।



(ঘ) ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞান কাক বোলে? ভাষাবিজ্ঞানৰ বিভিন্ন শাখাসমূহৰ চমুকৈ আলোচনা কৰা।

৫। তলত দিয়া প্ৰশ্নসমূহৰ *যিকোনো এটাৰ* উত্তৰ লিখা ঃ ১৪

(ক) বাক্যৰ আকাংক্ষা, যোগ্যতা আৰু আসক্তি সম্পৰ্কে আলোচনা দাঙি ধৰা।

(খ) প্ৰাকৃতি কাক বোলে? প্ৰাকৃতিৰ বিভিন্ন ভাগসমূহৰ বিষয়ে বিতংকৈ আলোচনা কৰা।

(গ) 'সমাজ ভাষা বিজ্ঞান' সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

---